জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৩৩/২০২০

# মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ বিভিন্নজনে আগবঢ়ালে আৰ্থিক অনুদান

**দিছপুৰ, ২৬ মাৰ্চ ঃ** সম্প্ৰতিক জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত আজি বিভিন্নজনে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আৰ্থিক অনুদান আগবঢ়ায়। ইয়াৰ ভিতৰত দুলীয়াজান-নুমলিগড়-পাইপলাইন লিমিটেডে ১০ লাখ টকা, দুলীয়াজান-নুমলিগড়-পাইপলাইন লিমিটেডৰ অধ্যক্ষ ৰূপম গোস্বামীয়ে ব্যক্তিগতভাৱে ৫০ হাজাৰ টকা, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰে এমাহৰ দৰমহা ৫০ হাজাৰ টকা, অসম পশুধন আৰু হাঁহ-কুকুৰা নিগমৰ অধ্যক্ষ মনোজ শইকীয়াই ৫০ হাজাৰ টকা, উত্তৰ কমলাবাৰী সত্ৰৰ তৰফৰ পৰা সত্ৰাধিকাৰ জনাৰ্দ্দন দেৱগোস্বামীয়ে ৫১ হাজাৰ টকা আৰু অসম গৃহ নিৰ্মাণ পৰিষদৰ উপাধ্যক্ষ সুভাষ দত্তই ৪০ হাজাৰ টকা মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ আগবঢ়াইছে।

**পুঃডেঃ / বঃভাঃ**
**২৬/০৩/২০২০**